# শালিমাৰ পেইণ্টছৰ সম্প্ৰসাৰিত হিৰ' প্ৰডাক্ট লাইন মুকলি

**গুৱাহাটী, ২৯ জুন ঃ** কলকাতাত অনুষ্ঠিত এক অনুষ্ঠানত শলিমাৰ পেইণ্টছ লিমিটেডে তেওঁলোকৰ ফ্লেগশ্বিপ প্ৰডাক্ট হিৰোৰ সফলতা উদযাপন কৰাৰ লগতে তেওঁলোকৰ বিস্তৃত পৰ্টফলিঅ' সম্প্ৰসাৰণ কৰা উদ্ভাৱনীমূলক সামগ্ৰীৰ মুকলি কৰে। এই অনুষ্ঠানৰ মূলতে আছিল হিৰো ৫-ইন-১ ছুপাৰ প্ৰিমিয়াম ইণ্টেৰিয়ৰ ইমালচনৰ জয়, তাৰ লগে লগে হিৰো ছুপাৰ প্ৰিমিয়াম এ'টেৰিয়ৰ ইমালচন আৰু হিৰো ইণ্টেৰিয়ৰ এ'টেৰিয়াৰ মুকলি কৰা হয়। ১২০ বছৰতকৈও অধিক সময়ৰ উত্তৰাধিকাৰেৰে ভাৰতীয় ৰং উদ্যোগৰ অগ্ৰণী প্ৰতিষ্ঠান শালিমাৰ পেইণ্টছ লিমিটেড। পৰিৱৰ্তন আৰু উন্নতিৰ দৃষ্টিভংগীক সামৰি লোৱা এই পৰিচয়সমূহ আছিল 'আপগ্ৰেড কিয়া কীয়া' অভিযানৰ অংশ, যিয়ে গ্ৰাহকসকলক উচ্চ প্ৰযুক্তি ব্যৱহাৰ কৰি ৰঙেৰে নিজৰ ঘৰখন উন্নত কৰিবলৈ অনুপ্ৰাণিত কৰে। গ্ৰাহকে শলিমাৰ পেইণ্টছৰ উদ্ভাৱনীমূলক সামগ্ৰী প্ৰদান কৰিবলৈ শক্তিশালী গৱেষণা আৰু উন্নয়ন ক্ষমতাৰ লাভ উঠাব পাৰিব।শ্বালিমাৰ পেইণ্টছৰ সঞ্চালক- বিক্ৰী আৰু বিপণন মিষ্টাৰ কুলদীপ ৰাইনাই কয় যে, "এই অনুষ্ঠানে শালিমাৰ পেইণ্টছৰ উদ্ভাৱন আৰু উৎকৃষ্টতাৰ অদম্য সাধনাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। শালিমাৰ পেইণ্টছে ইলাষ্টোমেৰিক গুণ আৰু ফাইবাৰ ৰিইনফৰ্চমেণ্টৰ সৈতে অত্যাধুনিক প্ৰযুক্তিৰ ৱাটাৰপ্ৰুফিং সমাধানৰ এক উন্নত সংকলন মুকলি কৰিছে। এইবোৰে উচ্চমানৰ ফাট আদি বন্ধ কৰাৰ ক্ষমতা সুনিশ্চিত কৰে, ফলপ্ৰসূভাৱে সৰু ফাটবোৰকো বন্ধ কৰি দিয়ে যাতে পানী নিগৰা আৰু গাঁথনিগত ক্ষতি ৰোধ কৰিব পৰা যায়।